লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# প্ৰেমৰ কবিতা

জয়জিৎ ডেকা

১

কুমলীয়া পাতটোৰ বুকুৰে নামি অহা
বৰষাৰ টোপালটোৱে ক'লেঃ
-এয়াই ভালপোৱা
ইচ্ছাৰ বিৰুদ্ধে গুচি যোৱা ।

২

সূৰ্যদীপ্ত সেই মুখখনিত
হেঙুলীয়াৰ শেষকণ পোহৰ হৈও
এটা তৰাৰ সাধু শুনাবলৈ
ৰৈ থকা ৰাতিটোৰ খিৰিকীত
এপাহাৰ দুখ
শিলে শিলক ভালপাব নোৱাৰে
জুই হৈ ফুটে।